**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সেনা মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনাৰ বাবে আজি পুৱা শ্ৰীনগৰত উপস্থিত হয়।

২। পোপ ফ্ৰান্সিছৰ শেষকৃত্যত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি ভেটিকান চিটী অভিমুখে ৰাওনা হৈছে।

৩। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তামিলনাডুৰ ৰাজ্যিক, কেন্দ্ৰীয় আৰু ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্যসকলৰ এখন বৈঠক আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

৪। উত্তৰ কাশ্মীৰত সেনা আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান কঠোৰ আৰু তীব্ৰতৰ কৰি তুলিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

সেনা মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনাৰ বাবে আজি পুৱা শ্ৰীনগৰত উপস্থিত হয়। তেওঁ দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ আক্ৰমণ সংঘটিত হোৱা বইচ্ৰন বনাঞ্চলৰ গাঁও পৰিদৰ্শন কৰিব। সেনা মুৰব্বীগৰাকীক শ্ৰীনগৰৰ সেনাৰ জেনেৰেল অফিচ কমাণ্ডিঙে সুৰক্ষা ব্যৱস্থা আৰু সেই খণ্ডত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চলোৱা অভিযান তথা নিয়ন্ত্ৰণৰেখাৰ সমীপত পাকিস্তানী সেনাই যুদ্ধবিৰতি ভংগ কৰাৰ বাবে চলোৱা চেষ্টাৰ বিষয়ে অৱগত কৰে।

ইফালে, পাকিস্তানী সেনাই উত্তৰ কাশ্মীৰৰ কুপৱাৰা জিলাৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ নৌগম এলেকাৰ বিভিন্ন অংশত যুদ্ধ বিৰতি ভংগ কৰাৰ চেষ্টা চলোৱাৰ তথ্য পোৱা গৈছে। জম্মু খণ্ডৰ ৰজৌৰী আৰু পুঞ্চ এলেকাতো একেধৰণৰ চেষ্টাৰ বাতৰি পোৱা গৈছে। পাকিস্তানী সেনাই নিয়ন্ত্ৰণৰেখাৰ ভালেমান অংশত গুলীচালনাৰ বাবে লঘু অস্ত্ৰ ব্যৱহাৰ কৰে বুলি সেনাৰ সূত্ৰত প্ৰকাশ পাইছে। সেনাইও ইয়াৰ প্ৰত্যুত্তৰ দিয়ে। আমালৈ অহা শেহতীয়া তথ্য অনুসৰি এই সংঘৰ্ষত এতিয়ালৈকে কোনো লোক হতাহত হোৱা নাই।

০০০০০০০০০

পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদত দিল্লীৰ ব্যৱসায়ীসকলে আহ্বান জনোৱা বন্ধৰ পৰিপ্ৰেক্ষিতত আজি ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ ভালেমান বজাৰ বন্ধ হৈ থকা পৰিলক্ষিত হৈছে। এই ঘটনাক লৈ চাঁদনী চ'কৰ পৰা লালকিল্লালৈ এটা সমদলো উলিওৱা হয়। সৰ্বভাৰতীয় ব্যৱসায়ী সংস্থা চি এ আই টিৰ সম্পাদকপ্ৰধান তথা দিল্লীৰ বিজেপি সাংসদ প্ৰৱীণ খান্দেলৱালে কয়, যে পহলগামৰ ঘটনাৰ প্ৰতিবাদত ৰাষ্ট্ৰীয় ৰাজধানীৰ ব্যৱসায়ীসকলে আজি বন্ধ পালন কৰিছে। ইয়াৰ ফলত দিল্লীৰ ৯০০ খনতকৈও অধিক দোকান-পোহাৰ বন্ধ হৈ থকা বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

০০০০০০০০০

কেৰালাত আজি কেইবাশও লোকে, পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা কোচিৰ বাসিন্দা এন ৰামচন্দ্ৰনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। কেৰালাৰ ৰাজ্যপাল ৰাজেন্দ্ৰ আৰ্লেকাৰ, গোৱাৰ ৰাজ্যপাল পি এছ্ শ্ৰীধৰণ পিল্লাই, মন্ত্ৰী পি ৰাজীৱ আৰু এ কে শচীধৰণকে ধৰি বহুসংখ্যক লোকে ৰাজহুৱা শ্ৰদ্ধা নিবেদনৰ বাবে মৃতদেহ ৰখা কোচিৰ চংগমপুঝা উদ্যানত উপস্থিত

হৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। উল্লেখযোগ্য যে পৰিয়ালৰ সৈতে ছুটী উপভোগ কৰিবলৈ যোৱা ৰামচন্দ্ৰনক আন কেইবাজনো পৰ্যটকৰ সৈতে যোৱা ২২ এপ্ৰিলত সন্ত্ৰাসবাদীয়ে পহলগামত গুলীয়াই হত্যা কৰিছিল।

০০০০০০০০০

ভাৰতে থেলাছেমিয়া আৰু ছিক্‌ল চে’ল ৰোগৰ বাবে নেপাললৈ ২০ লাখ ডলাৰ মূল্যৰ প্ৰতিষেধক প্ৰেৰণ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰন্ধিৰ জয়চোৱালে কয়, যে নেপাল চৰকাৰৰ অনুৰোধমৰ্মে ইতিমধ্যে থেলাছেমিয়া ৰোগীৰ বাবে প্ৰতিষেধকৰ ১৭ হাজাৰতকৈও অধিক সংখ্যক ভায়েল দেশখনক অৰ্পণ কৰা হৈছে। এই কাৰ্যৰ জৰিয়তে ভাৰতে চুবুৰীয়াক অগ্ৰাধিকাৰ প্ৰদান কৰাৰ দায়বদ্ধতা পালন কৰিছে বুলিও শ্ৰী জয়ছোৱালে প্ৰকাশ কৰে।

০০০০০০০০০

যোৱা ২১ এপ্ৰিলত দেহাৱসান ঘটা পোপ ফ্ৰান্সিছৰ শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে আজি ভেটিকান চিটী অভিমুখে ৰাওনা হৈছে। শ্ৰীমতী মুৰ্মুৱে ভাৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ হৈ সমবেদনা জ্ঞাপন কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিত প্ৰকাশ কৰা অনুসৰি ৰাষ্ট্ৰপতিগৰাকীয়ে ছেইণ্ট পিটাৰ্ছ বেছিলিকাত পোপ ফ্ৰান্সিছৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। কাইলৈ শ্ৰীমতী মুৰ্মুৱে শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰীমতী মুৰ্মুক এই যাত্ৰাত সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজু, সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ান আৰু গোৱা বিধানসভাৰ উপাধ্যক্ষ জোশুৱা ডি ছুজাইও সংগ দিছে।

০০০০০

চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত কৰ্মচাৰী ভৱিষ্য নিধি আঁচনিৰ অধীনত ১৫ লাখ ৪৩ হাজাৰ গৰাকী নতুন কৰ্মচাৰীক অন্তৰ্ভুক্ত কৰা হৈছে। কেন্দ্ৰীয় শ্ৰম মন্ত্ৰালয়ে এই কথা প্ৰকাশ কৰি কয়, যে সম্প্ৰতি কৰ্মচাৰী ভৱিষ্যনিধি আঁচনিৰ তালিকাভুক্ত কৰ্মচাৰীসকলৰ মাজৰ ৭ লাখ ৩৬ হাজাৰ গৰাকী কৰ্মচাৰীয়েই ২৫ বছৰ অথবা ইয়াতকৈ কম বয়সৰ।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি তামিলনাডুৰ ৰাজ্যিক, কেন্দ্ৰীয় আৰু ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্যসকলৰ এখন দুদিনীয়া বৈঠক আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আজি সন্ধিয়া তেওঁ মুথিনা মুদ তোড়া মন্দিৰ দৰ্শন কৰিব। তিনিদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুত উপস্থিত হোৱা উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যখনৰ মুৰুমালাই ব্যাঘ্ৰ প্ৰকল্প আৰু হাতী শিবিৰো পৰিদৰ্শন কৰাৰ কথা আছে। অহা ২৭ এপ্ৰিলত দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ কইম্বাটোৰৰ তামিলনাডু কৃষি বিশ্ববিদ্যালয়ত আয়োজিত কৃষি সন্মিলনতো অংশগ্ৰহণ কৰিব।

০০০০০০০০০

উত্তৰ কাশ্মীৰৰ বান্দিপোৰা জিলাত আজি নিচেই পুৱাতে প্ৰচণ্ড গুলীয়াগুলীৰ ঘটনাৰ পাছতে বাজিপোৰা কুলনাৰ বনাঞ্চলত সেনা আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে অভিযান কঠোৰ আৰু তীব্ৰতৰ কৰি তুলিছে। পুৱাৰ ভাগত বাজিপোৰাৰ গভীৰ বনাঞ্চলত সুৰক্ষা বাহিনীয়ে সন্ত্ৰাসবাদীৰ উপস্থিতিৰ তথ্য লাভ কৰি অভিযান চলোৱাৰ সময়ত বনাঞ্চলত লুকাই থকা সন্ত্ৰাসবাদীয়ে সুৰক্ষা বাহিনীক উদ্দেশ্যি গুলীচালনা কৰে। বৰ্তমানলৈকে কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই। অঞ্চলটোত এতিয়াও অভিযান অব্যাহত আছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০০

উত্তৰ ছিকিমত কালি নিশা হোৱা ভূমিস্খলনৰ ফলত পথ যোগাযোগ ব্যাহত হৈ পৰিছে। উত্তৰ ছিকিম প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি লাচেন চুংথাং পথৰ মুঞ্চিথাং আৰু লাচুং চুংথাং পথৰ লেমা ববৰ এটা বৃহৎ এলেকাত ভূমিস্খলন হৈছে। চুংথাঙলৈ যোৱা পথছোৱা এতিয়াও মুকলি হৈ আছে যদিও একেৰাহে হৈ থকা প্ৰৱল বৰষুণৰ বাবে নিশাৰ ভাগত এই পথেৰে যাত্ৰা কৰাটো নিৰাপদ নহয় বুলি প্ৰশাসনে জানিবলৈ দিছে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উত্তৰ ছিকিমলৈ যোৱা যান-বাহনসমূহক আজি

ভ্ৰমণৰ অনুমতি দিয়া হোৱা নাই আৰু পূৰ্বে দিয়া অনুমতিও বাতিল কৰা হৈছে। মংগন জিলাৰ উপায়ুক্ত অনন্ত জৈনে আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত কয়, যে গেংটকৰ পৰা চুংথাঙলৈ যোৱা পথছোৱা মুকলি কৰি ৰখা হৈছে, যাতে কালি লাচেন আৰু লাচুঙলৈ যাত্ৰা কৰা লোকসকল গেংটকলৈ সুকলমে উভতি আহিব পাৰে। তেওঁ কয়, যে ইতিমধ্যে যুদ্ধকালীনভাৱে ক্ষতিগ্ৰস্ত পথছোৱা মেৰামতিৰ কাম চলি আছে আৰু এটা বিকল্প পথ গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। আজি নিশাৰ ভিতৰত লাচেন আৰু লাচুঙত আৱদ্ধ হৈ থকা পৰ্যটকসকলক গেংটকলৈ ওভতাই আনিব পৰা যাব বুলি উপায়ুক্তগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

ব্ৰিটেইনৰ সাংসদ বব ব্লেকমেনে পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ মূল অভিযুক্ত আৰু এই আক্ৰমণৰ সমৰ্থনকাৰীসকলৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ কথা প্ৰকাশ কৰিছে। লণ্ডনত থকা ভাৰতৰ উচ্চায়ুক্তই এই আক্ৰমণত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা এটা কাৰ্যসূচীত অংশ লৈ সাংসদগৰাকীয়ে কয়, যে সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপত ব্ৰিটেইনৰ সকলো ৰাজনৈতিক দলে ভাৰতৰ প্ৰতি সমৰ্থন আগবঢ়াব। তেওঁ লগতে কয়, যে ভাৰত আৰু পাকিস্তানৰ মাজৰ নিয়ন্ত্ৰণ ৰেখাত থকা সন্ত্ৰাসবাদী ঘাটি নিৰ্মূল কৰাৰ বাবে সামৰিক সাহায্যকে ধৰি সকলো প্ৰকাৰৰ প্ৰয়োজনীয় সমৰ্থন আগবঢ়াবলৈ ব্ৰিটেইন সাজু আছে। এই অনুষ্ঠানত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী এল মুৰুগান আৰু মহাৰাষ্ট্ৰৰ সামাজিক ন্যায় মন্ত্ৰী সঞ্জয় চিৰ্চাট উপস্থিত থাকে। অনুষ্ঠানত বিশিষ্ট ব্যক্তি তথা ভাৰতীয় সমুদায়ৰ সদস্যসকলে নিহতসকলৰ আত্মাৰ সদ্গতি কামনা কৰি মৌন প্ৰাৰ্থনা কৰে।

০০০০০০০০০

কিয়েভত ৰাছিয়াই শেহতীয়াকৈ সংঘটিত কৰা ক্ষেপনাস্ত্ৰৰ আক্ৰমণক লৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে অসন্তুষ্টি ব্যক্ত কৰিছে। কমেও ২২ জন লোকৰ প্ৰাণহানি কৰা আৰু ৯০ জন লোক আহত হোৱা এই আক্ৰমণৰ ঘটনাৰ পাছত এনে আক্ৰমণ বন্ধ কৰিবলৈ তেওঁ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক আহ্বান জনায়। যুদ্ধৰ অৱসান ঘটোৱাৰ বাবে আমেৰিকাৰ প্ৰশাসনে ৰাছিয়া আৰু ইউক্ৰেইন উভয় পক্ষৰ প্ৰতিয়েই প্ৰয়োজনীয় হেঁচা আৰোপ কৰিছে বুলিও শ্ৰী ট্ৰাম্পে প্ৰকাশ কৰিছে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ  হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। কালি নিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৰাজস্থান ৰয়েলছক ১১ ৰানত পৰাস্ত কৰে।

০০০০

সমাপ্ত